"আপোনাৰ ল'ৰা তেনেকুৱা নহ'লে কেনেকৈ হ'ব ছাৰ। আপুনি আমাৰ বাবে কম কষ্ট কৰিছিলনে? আমাৰ মনত আছে নহয়। আপুনি পঢ়োৱা ইংৰাজীৰ সোৱাদ যি পাইছে সি কেতিয়াও পাহৰিব নোৱাৰে ... আমাৰ লগৰ দুই-এজনী লগ খালেই আপোনাৰ কথা ওলায় ছাৰ।" বৰুৱাই ভিতৰি ভিতৰি আকৌ চঁক খালে।

সিহঁতৰ মাজত এতিয়াও তেওঁৰ কথা ওলায়? কি কথা ওলায় তেওঁৰ বিষয়ে?

অ'। ইংৰাজী ক্লাছত ইংৰাজী পঢ়াই থাকোঁতেই কাণ্ডটো ঘটিছিল। সেই কথাষাৰ মনত পেলাবলৈ অকণো মন নাই বৰুৱাৰ। গতিকে তেওঁ কথাৰ পাক আনফালে ঘূৰালে।

"তোমাৰ ল'ৰা-ছোৱালীৰ কথা কোৱাচোন?"

"ছাৰ, আমাৰ ছোৱালী এজনীহে, বিয়া দিলোঁ। জোঁৱাই ছাবজেক্ট টিচাৰ কৰে। তায়ো হায়াৰ ছেকেণ্ডেৰিৰ টেট পৰীক্ষা দি থৈছিল। এতিয়া তায়ো পালে ছাৰ ..."

"বৰ ভাল কথা। খুব ভাল লাগিল।" শেৱালিৰ ভাল খবৰকেইটাই সঁচাকৈয়ে বৰুৱাক আনন্দ দিলে।

"হাছবেণ্ডে কি কৰে?"

"তেওঁ ফৰেষ্ট ডিপাৰ্টমেণ্টত কৰে। হাবিখন আৰু জন্তুকেইটাই হ'ল তেওঁৰ প্ৰাণ।"

"হয়নে বৰ ভাল কথা। ফৰেষ্টত চাকৰি কৰি হাবিৰ গছ-গছনি আৰু জীৱ-জন্তু ভাল নাপালে কেনেকৈ হ'ব। সেয়াহে আচল মানুহ বুজিছা শেৱালি। খুব ভাল লাগিল কথাষাৰ শুনি।"

"ছাৰ ৰীণামণিৰ ৰিজাল্টৰ কথাটো মনত আছেনে আপোনাৰ?"

"কেলেই নাই! তোমালোক ল'ৰা-ছোৱালীখিনিয়ে মোক কিন্তু ভাল সহায় কৰিলা দেই।" বৰুৱা অতীতলৈ ঘূৰি গ'ল।

ৰিপুঞ্জয় বৰুৱা তেতিয়া নতুন শিক্ষক। ছাত্ৰ-ছাত্ৰীবোৰ 'নতুন ছাৰ' বুলিলে ক'ব নোৱৰা হৈ যায়। তেৰোঁ ছাত্ৰ-ছাত্ৰীসকলক সকলো দিশৰ পৰাই আগবঢ়াই নিবলৈ চেষ্টা কৰিছিল। শিক্ষকৰ বিষয়ে বৰুৱাৰ ধাৰণাটো আছিল, এজন শিক্ষকে ছাত্ৰ-ছাত্ৰীক ভাল পাব লাগিব। তেওঁৰ বিষয়টো ভাল পাব লাগিব। তেওঁ কাম কৰা প্ৰতিষ্ঠানক ভাল পাব লাগিব আৰু তেওঁৰ বৃত্তিটোক ভাল পাব লাগিব।

জ্যেষ্ঠ শিক্ষকসকলে বৰুৱাক খুব মৰম কৰিছিল। সেইবাৰ বছৰেকীয়া পৰীক্ষাৰ ৰিজাল্ট দিয়াৰ দিনা ক্লাছ নাইনৰ ক্লাছ টিচাৰজন আহিব নোৱাৰিলে। মাক নে দেউতাকক হস্পিটেললৈ নিবলগীয়া হ'ল। প্ৰধান শিক্ষকে ৰিপুঞ্জয় বৰুৱাক ৰিজাল্ট ঘোষণা কৰিবলৈ দিলে। আৰু ৰিপুঞ্জয় বৰুৱাই ৰিজাল্ট ঘোষণা কৰোঁতে এটা ডাঙৰ ভুল হৈ গ'ল।

ৰীণামণি বৰা আৰু লীনামণি বৰা নৰম মানৰ পৰা দশমমানলৈ প্ৰম'শ্যন পাওঁতে ৰীণামণি প্ৰথম আৰু লীনামণি দ্বিতীয় হৈছিল। পাছদিনা মাৰ্কশ্বিট দিয়া হ'ব। আগদিনা মাত্ৰ ঘোষণাহে কৰিব লাগে। বৰুৱাই ঘোষণা কৰোঁতে লীনামণি প্ৰথম আৰু ৰীণামণিক দ্বিতীয় বুলি কৈ দিলে। আচলতে বৰুৱাই ৰীণামণিৰ নামটোৰ পাছত লীনামণিৰ নামটো চাই আছিল চাগৈ। সেয়ে তেনেকুৱা হৈ গ'ল।

পাছদিনা একো নাই। গণ্ডগোলটো আহিল মাৰ্কশ্বিট দিয়াৰ পাছদিনা। লীনামণিৰ ককাদেউতাকে আহি স্কুলত হুলস্থূল আৰম্ভ কৰি দিলে। ৰিজাল্টত এটা হৈছে, মাৰ্কশ্বিটত এটা লিখিছে। এইবোৰ কি কথা। তেওঁ কোনোপধ্যেই নামানে। প্ৰধান শিক্ষকে বুজাইছে, ষ্টাফে বুজাইছে, নাই তেওঁ নামানে। প্ৰধান শিক্ষকৰ কোঠাত তৰ্জন-গৰ্জন কৰি আছে।

বৰুৱাই কিন্তু ককাদেউতাকৰ চিঞৰ-বাখৰতকৈ অন্য এটা কথাহে ভাবিছে। তেওঁৰ ভুলৰ বাবে লীনামণি মানসিকভাৱে ভাগি পৰিব নেকি? তেওঁ লীনামণিক মাতি আনিলে।

"ছাৰ, মই একেবাৰেই কোৱা নাই। মই কান্দিকাটি আছোঁ বুলি, ভাত খোৱা নাই বুলি ককাদেউতাই মিছাকৈ কৈছে। এইটো অকস্মাৎ হৈ যোৱা ভুল বুলি মা-দেউতাই কৈছে। ককাদেউতাই মিছামিছি হুলস্থূল কৰিবলৈ আহিছে। মোক ক্ষমা কৰিব ছাৰ।" এজনী সৰু ছোৱালীৰ ইমান ডাঙৰ চিন্তা। বৰুৱাৰ ভালো লাগিল আৰু দুখো লাগিল। তেওঁৰ অমনোযোগিতাৰ বাবে লীনামণিয়ে কষ্ট পাবলগীয়া হোৱাৰ বাবে।

চিঞৰ-বাখৰ কৰি এটা সময়ত লীনামণিৰ ককাদেউতাক গ'লগৈ। একেজন মানুহেই পাছদিনা আকৌ ওলালহি। সেইদিনা কিন্তু হুলস্থূল নাই। হাতত এযোৰ তামোল-পাণ। শিক্ষকৰ কমন ৰুমতে বৰুৱাক তামোল-পাণযোৰ দি বুঢ়াই ক্ষমা খুজিলে।

"বাপু, মই বুঢ়া মানুহ। তোমাৰ দেউতাৰাৰ লগৰ। কালি মই সেইখিনি ক'ব নালাগিছিল। কিন্তু ক'লোঁ আৰু ক্ষমা কৰিবা আৰু এটা কথা, তুমি ট্ৰেন্সফাৰ হৈ গুচি যোৱাৰ কথা নাভাবিবা। ল'ৰা-ছোৱালীবোৰে তোমাক খুব ভাল পায়।" বৰুৱাই বুঢ়াৰ হাত দুখনত ধৰি ক'লে—"নাপায় নহয় দেউতা এনেকৈ ক'ব। মানুহ মাত্ৰেই ভুল হয়।"

"তুমি ইয়াৰ পৰা নাযাওঁ বুলি কোৱা মোক।" বুঢ়াই আকৌ ক'লে।

"নাযাওঁ নাযাওঁ দেউতা। মই ইয়াৰ পৰা নাযাওঁ।" বৰুৱাই নাযাওঁ বুলি কোৱাৰ পাছতহে বুঢ়া গ'লগৈ। পাছত প্ৰধান শিক্ষকে সুধিলে— "বৰুৱা, আপুনি ট্ৰেন্সফাৰ লোৱাৰ কথা কিবা কৈছিল নেকি?"

"মই একেবাৰেই কোৱা নাই ছাৰ বুঢ়াই নিজেহে কৈছে।"

উৰহী গছৰ ওৰ পাছতহে ওলাল। সেই কামটো কৰিলে শেৱালিহঁতৰ লগৰ ছাত্ৰ-ছাত্ৰীখিনিয়ে। সিহঁতো লীনামণিৰ লগৰে। সিহঁতে আগদিনা গধূলি গোটেই মখাই গৈ লীনামণিৰ ককাকক ক'লেগৈ যে তেওঁৰ ভুলৰ বাবেই ভাল শিক্ষক এজন গুচি যাবগৈ এতিয়া। দুজনীমানে কন্দাকটাও কৰিলে। বুঢ়া বাধ্য হৈ পাছদিনা স্কুল পালেহি।

শিক্ষক জীৱনৰ আৰম্ভণিতে ঘটা এই ঘটনাটোৱে ৰিপুঞ্জয় বৰুৱাক বহুত সহায় কৰিলে। ভৱিষ্যতৰ বাবে তেওঁ সতৰ্ক হ'ল।

"তোমালোকৰ কথা পাতি হ'লনে? শেৱালিক এতিয়া মই পাকঘৰলৈ লৈ যাওঁ। মোৰো তেওঁৰ লগত কথা আছে।" বৰুৱানীয়ে মাত লগালেহি।

"ওঁ হ'ল হ'ল, শেৱালি যোৱা। এইবাৰ বাইদেউৰ লগত বহাগৈ অলপ।"

শেৱালি উঠি গ'ল। বৰুৱাৰ সকাহ পোৱা যেন লাগিল। এটা অপৰাধবোধে বৰুৱাক গোটেই জীৱনটো কষ্ট দি আছে। এই সাহসী ছোৱালীজনীয়ে কেনেবাকৈ সেই কথাটো উলিয়াই দিয়ে বুলি বৰুৱাই ভয় খাই আছে। নিজে নিজৰ ওচৰত লাজ পোৱাৰ ভয়।

বৰুৱাই তেতিয়া দশম শ্ৰেণীত ইংৰাজী পঢ়ায়। তেওঁ ইংৰাজী কেৱল ভাষা হিচাপে নুবুজাই সাহিত্যৰ সোৱাদ দিবলৈ চেষ্টা কৰে। যিমান পাৰে সুন্দৰকৈ উচ্চাৰণ কৰে। পাঠৰ লগত সংগতি ৰাখি ইংৰাজী সাহিত্যৰ কিছু আভাস দিবলৈ চেষ্টা কৰে।

বৰুৱাই এদিন লক্ষ্য কৰিলে, এজনী ছোৱালীয়ে একেৰাহে তেওঁৰ মুখলৈ চাই থাকে। তাই কিতাপ বা ব'ৰ্ডতকৈ তেওঁলৈ চোৱাতহে গুৰুত্ব দিয়ে। বৰুৱাই আঁৰ চকুৰে কেইবাদিনো লক্ষ্য কৰিলে। চকুৰে চকুৰে পৰিলেও তাই চকু আঁতৰাই নিনিয়ে।

এজনী ধুনীয়া মৰম লগা ছোৱালী। তাইৰ চকুযুৰিও আকৰ্ষণীয়। বৰুৱাই ভিতৰি ভিতৰি অস্বস্তি পাবলৈ আৰম্ভ কৰিলে। এয়াতো ভাল লক্ষণ নহয়। সেই সময়ত নাইন-টেনত পঢ়ি থকা ছোৱালী বিয়াই হৈ গৈছিল। ইহঁতৰ বয়স এতিয়া পোন্ধৰ বছৰৰ আগে-পিছে। যৌৱনৰ দুৱাৰডলিত ভৰি থৈছে। এই ছোৱালীজনীৰ মনত বেলেগ চিন্তাই ক্ৰিয়া কৰা নাইতো।

বৰুৱাৰ নিজৰ বয়সো সেই সময়ত বাইছ বছৰমানহে হ'ব। গ্ৰেজুৱেশ্যন লোৱাৰ এবছৰৰ পাছতে তেওঁৰ চাকৰি হৈছে। নিজক লৈ বৰুৱাৰ অহংকাৰ এটাও আছিল। ভাল শিক্ষক হোৱাৰ বাসনা এটা